# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 30-05-2025
**Time :** 0900 HRS

## *Assamese Morning Bulletin*

**- - - - - - - - - - - - - - -**

১। মহাবিদ্যালয়ত বিনামূলীয়া নামভৰ্তিৰ ক্ষেত্ৰত ৰেচন কাৰ্ডক আয়ৰ প্ৰমাণ পত্ৰ হিচাপে গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ।

২। অসম-মেঘালয়ৰ বিবদমান ভূমি সমস্যা নিষ্পত্তিৰ বাবে ২ জুনত গুৱাহাটীত মুখ্যমন্ত্ৰী পৰ্যায়ৰ দ্বিতীয়লানি বৈঠক।

৩। ধাৰাসাৰ বৰষুণৰ ফলত ৰাজ্যত স্বাভাৱিক জীৱনযাত্ৰা ব্যাহত।

৪। মুখ্যমন্ত্ৰীৰ বিজ্ঞান প্ৰতিভা সন্ধান আঁচনিৰ বাবে মেধাবী শিক্ষাৰ্থীসকলৰ পৰা আবেদন আহ্বান।

*আৰু*

৫। পাঞ্জাব কিংছক পৰাস্ত কৰি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ আই পি এলৰ ফাইনেলত প্ৰৱেশ।

০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যত ৰূপায়ণ হৈ থকা বিভিন্ন আঁচনিৰ মূল্যায়ন আৰু দুৰ্বল শ্ৰেণীৰ সহায়ৰ লক্ষ্যৰে গ্ৰহণ কৰিবলগীয়া নতুন উদ্যমৰ পৰিকল্পনা চূড়ান্ত কৰাৰ উদ্দেশ্যে কালি এলানি উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়। জিলা আয়ুক্তসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সিংযোগে হোৱা বৈঠকত ড০ শৰ্মাই অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ ৰূপায়ণৰ ক্ষেত্ৰত হোৱা অগ্ৰগতিকে ধৰি বিভিন্ন দিশৰ পৰ্যালোচনা চলায়। সেই অনুসৰি ৰাজ্য চৰকাৰে অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ সম্প্ৰসাৰণৰ পৰিকল্পনা কৰিছে আৰু আঁচনিখনত ৩৭ লাখ নতুন হিতাধিকাৰীক অন্তৰ্ভুক্ত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। অৰুণোদয় আঁচনিখনক সৰ্ববৃহৎ নগদধন হস্তান্তৰ আঁচনি বুলি অভিহিত কৰি মুখ্যমন্ত্ৰী ডং শৰ্মাই কয়, যে দেশৰ অন্য ৰাজ্যসমূহেও এই ক্ষেত্ৰত অসমক অনুসৰণ কৰিবলৈ লৈছে। তেওঁ কয়, যে কোনো যোগ্য হিতাধিকাৰী যাতে চৰকাৰৰ কল্যাণমূলক আঁচনিৰ পৰা বাদ পৰি নাযায় তাৰবাবে সত্যাসত্য নিৰূপণৰ প্ৰক্ৰিয়া চলি আছে। চৰকাৰ সমাজৰ সকলো শ্ৰেণীৰ সমকল্যাণৰ প্ৰতি দায়বদ্ধ বুলি তেওঁ মন্তব্য কৰে। বৈঠকত অসমৰ চাহ উদ্যোগৰ ২০০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে এটি কলি দুটি পাত নামৰ এখন নতুন আঁচনি ৰূপায়ণৰ সন্দৰ্ভতো মুখ্যমন্ত্ৰীয়ে বিশদভাৱে আলোচনা কৰে। এই আঁচনিৰ অধীনত অসমৰ চাহ বাগিচাৰ স্থায়ী-অস্থায়ী শ্ৰমিক আৰু বাগিচাসমূহত কৰ্মৰত তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীসকললৈ ৫ হাজাৰ টকাৰ এককালীন আৰ্থিক সাহায্য আগবঢ়োৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। ইয়াৰ লগতে অভিভাৱক মন্ত্ৰীসকলৰ সৈতে আলোচনা মৰ্মে জিলা পৰ্যায়ৰ ৰূপায়ণ কমিটী গঠন কৰিবলৈ আৰু ১০ আগষ্টৰ ভিতৰত প্ৰ-পত্ৰ পূৰণকে ধৰি আঁচনিখনৰ সমস্ত প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ জিলা আয়ুক্তসকলক তেওঁ নিৰ্দেশ দিয়ে। গুৱাহাটীৰ যান-জঁট হ্ৰাস কৰি সংযোগ আৰু বাণিজ্য বৃদ্ধিৰ বাবে ৰূপায়িত ৰিং ৰোড প্ৰকল্পই কেন্দ্ৰীয় চৰকাৰৰ অগ্ৰাধিকাৰ লাভ কৰা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে বিষয়াসকলক প্ৰকল্পটোৰ সময়সীমা কঠোৰভাৱে মানি চলিবলৈ নিৰ্দেশ দিয়ে।

তেওঁ কয়, যে চৰকাৰে ৰাজসাহায্যযুক্ত ৰন্ধন গেছ আঁচনি প্ৰৱৰ্তনৰ যোজা কৰিছে আৰু এই কাৰ্যসূচীৰ নীতি নিৰ্দেশনাৰ মূল্যায়ন কৰি থকা হৈছে। ডং শৰ্মাই কালি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ লোকসেৱা ভৱনৰ পৰা ভিডিঅ' কনফাৰেন্সিংযোগে ৰাজ্যৰ মহাবিদ্যালয়সমূহৰ অধ্যক্ষসকলৰ সৈতেও বৈঠকত মিলিত হয়। বৈঠকত ২০২৫-২৬ শিক্ষা বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বিনামূলীয়া নামভৰ্তি আঁচনি, মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ লগতে প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত ড০ বাণীকান্ত কাকতি মেধা বঁটা প্ৰদানৰ বিভিন্ন দিশৰ পৰ্যালোচনা কৰা হয়। সকলো মহাবিদ্যালয়কে ৰেচন কাৰ্ডক আয়ৰ প্ৰমাণ-পত্ৰ হিচাপে গ্ৰহণ কৰিবলৈ আৰু কোনো অতিৰিক্ত নথিপত্ৰৰ বাবে জোৰ নিদিবলৈ তথা শিক্ষাৰ্থীৰ পৰা কোনো মাচুল আদায় নকৰিবলৈ নিৰ্দেশনা জাৰি কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

তেওঁ, শেহতীয়াকৈ স্নাতক পৰীক্ষাত উত্তীৰ্ণ শিক্ষাৰ্থীসকলৰ বাবে মুকলি কৰিবলগীয়া জীৱন প্ৰেৰণা নামৰ নতুন কাৰ্যসূচীৰো প্ৰস্তুতিৰ বুজ লয়। এই কাৰ্যসূচীত আৱেদনৰ প্ৰক্ৰিয়া খৰতকীয়া কৰা আৰু বহুল প্ৰসাৰৰ বাবে এটা সুকীয়া অনলাইন প'ৰ্টেল বিকশাই তোলাৰ কাম চলি আছে বুলি তেওঁ উল্লেখ কৰে।

ooooo

অসম আৰু মেঘালয়ৰ সীমান্তৱৰ্তী অঞ্চলৰ ভূমি বিবাদ নিষ্পত্তিৰ বাবে অহা ২ জুনত গুৱাহাটীত মুখ্যমন্ত্ৰী পৰ্যায়ৰ দ্বিতীয়লানি বৈঠক অনুষ্ঠিত হ'ব। মেঘালয়ৰ মুখ্য সচিব ড'নাল্ড ফিলিপ্‌ছ ৱাহ লাঙে কালি কয়, যে এই বৈঠকত দুয়োখন ৰাজ্যৰ বিবদমান সীমান্তৱৰ্তী অঞ্চলৰ ছটা এলেকা সন্দৰ্ভত এতিয়ালৈ সমাধান নোহোৱা বিষয়বোৰ বুজাবুজিৰ মাজেৰে নিষ্পত্তিৰ চেষ্টা কৰা হ'ব।

ooooo

ৰাজ্যত পৰহিৰে পৰা হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত স্বাভাৱিক জীৱনযাত্ৰা ব্যাহত হৈছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসমসহ উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্য, পশ্চিমবংগৰ হিমালয়ৰ পাদদেশ অঞ্চল আৰু ছিকিমত বৰষুণৰ সম্ভাৱনালৈ চাই আজি আৰু কাইলৈৰ বাবে ৰাজ্যৰ কেইবাখনো জিলাৰ বাবে ৰেড এলাৰ্ট জাৰি কৰিছে। বতৰ বিজ্ঞান বিভাগে লগতে পৰৱৰ্তী দুই-তিনি দিনত ৰাজ্যৰ পশ্চিম আৰু দক্ষিণ প্ৰান্তত ধাৰাষাৰ বৰষুণ হোৱাৰ আগলি বতৰা দিছে। বিভাগটোৰ বতৰা অনুসৰি ওড়িশাৰ উপকূল ভাগৰ সমীপৰ উত্তৰ-পশ্চিম বংগোপসাগৰত নিম্ন চাপৰ সৃষ্টি হৈছে। পৰৱৰ্তী ২৪ ঘণ্টাত এই নিম্ন চাপ গভীৰ নিম্ন চাপলৈ ৰূপান্তৰ হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ প্ৰভাৱত কাছাৰ, হাইলাকান্দি, শ্ৰীভূমি, ধুবুৰী, দক্ষিণ শালমাৰা মানকাচৰ, গোৱালপাৰা, বৰপেটা, বঙাইগাঁও, পশ্চিম কাৰ্বি আংলং, কোকৰাঝাৰ, চিৰাং, বজালী, বাক্সা, কামৰূপ মহানগৰ, দৰং, ওদালগুৰি, মৰিগাঁও, নগাঁও, হোজাই, শোণিতপুৰ, ডিমা হাচাও, তামুলপুৰ আৰু নলবাৰীত বিজুলী ঢেৰেকনিৰে ধাৰাসাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান বিভাগে সকীয়াই দিছে। বৰঝাৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই ৰাজ্যত কেইবাখনো জিলাত ৰেড এলাৰ্ট জাৰি কৰিছে।

বাইট

ooooo

ছিকিমৰ ৫০ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত ভাৰ্চুৱেলি অংশ লৈ কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ছিকিমকে ধৰি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলক ভাৰতৰ প্ৰগতিৰ ক্ষেত্ৰত এটা উজ্জ্বল অধ্যায় বুলি মন্তব্য কৰিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে ছিকিমৰ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু উদ্বোধন কৰি ছিকিমক বিশ্বমানৰ পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তোলাত তেওঁৰ চৰকাৰৰ প্ৰচেষ্টাৰ্ কথা ্দোহাৰে। এই ক্ষেত্ৰত নিৰ্মীয়মান চেৱোক ৰংপো ৰে'লপথে ছিকিমক দেশৰ ৰে'ল মানচিত্ৰত অন্তৰ্ভুক্ত কৰাৰ কথাও তেওঁ উল্লেখ কৰে। শ্ৰীমোদীয়ে কয় যে যোৱা ১০ বছৰত ছিকিমত প্ৰায় ৪০০ কিলোমিটাৰ নতুন ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ কৰা হৈছে আৰু ১০০ কিলমিটাৰৰো অধিক গ্ৰামাঞ্চলৰ পথ নিৰ্মাণ কৰা হৈছে। অটল সেতুৱে ছিকিম আৰু দাৰ্জিলিঙৰ মাজৰ যোগাযোগ বহু পৰিমাণে উন্নত কৰিছে। প্ৰধানমন্ত্ৰীয়ে সম্পূৰ্ণ জৈৱিক ৰাজ্য হিচাপে খ্যাত ছিকিমৰ স্থানীয় বহু লোকক লাভান্বিত কৰিব পৰাকৈ শেহতীয়াকৈ জৈৱিক প্ৰক্ৰিয়াৰে মীন পালনত গুৰুত্ব দিয়াৰ কথাও উল্লেখ কৰে। শ্ৰীমোদীয়ে ভৱিষ্যতে ছিকিমক বিশ্বৰ দৰবাৰত সেউজ ৰাজ্যৰ আদৰ্শ হিচাপে তুলি ধৰিব পৰা যাব বুলি আশা ব্যক্ত কৰে।

ooooo

কংগ্ৰেছৰ নৱনিযুক্ত ৰাজ্যিক সভাপতি তথা সাংসদ গৌৰৱ গগৈ আৰু তেওঁৰ পত্নীৰ পাকিস্তানৰ সৈতে যোগাযোগ থকা বুলি উত্থাপিত অভিযোগ সন্দৰ্ভত আৰক্ষীৰ বিশেষ তদন্তকাৰী দলে কংগ্ৰেছ দলৰ নেতা ৰিপুণ বৰাক কালি দীৰ্ঘ সময়জুৰি সোধা-পোছা কৰে। শ্ৰীবৰাই আৰক্ষীক সহযোগ কৰে আৰু পৰৱৰ্ত্তী সময়ত অধিক তথ্যৰ বাবে আৰক্ষীয়ে পুনৰ তেওঁক সোধা-পোছা কৰাৰ সম্ভাৱনা আছে। এই সন্দৰ্ভত শ্ৰীবৰাই সাংবাদিকৰ আগত এইদৰে কয়-

ঃবাইটঃ (ৰিপুণ বৰা)

উল্লেখযোগ্য যে শ্ৰীগগৈয়ে কালি এখন সংবাদমেলত প্ৰায় ১৪ বছৰ পূৰ্বে পাকিস্তান ভ্ৰমণৰ বিষয়ে উল্লেখ কৰিছিল। অৱশ্যে এই ভ্ৰমণ সম্পূৰ্ণ বৈধ আছিল বুলিও তেওঁ প্ৰকাশ কৰিছিল। ইয়াৰ প্ৰত্যুত্তৰত মুখ্যমন্ত্ৰী ড° শৰ্মাই শ্ৰীগগৈয়ে ১০০ শতাংশ সঁচা কথা কোৱা নাই বুলি উল্লেখ কৰিছিল।

০০০০০

অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদ, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিভাগ অসমে মুখ্যমন্ত্ৰীৰ বিজ্ঞান প্ৰতিভা সন্ধান আঁচনিৰ বাবে মেধাবী শিক্ষাৰ্থীসকলৰ পৰা আবেদন বিচাৰিছে। এই আঁচনিৰ অধীনত ২০২৫ বৰ্ষত দশম শ্ৰেণীত উত্তীৰ্ণ সৰ্বাধিক ৪০গৰাকী শিক্ষাৰ্থীক নিৰ্বাচন কৰি তেওঁলোকৰ আগ্ৰহৰ ক্ষেত্ৰ অনুসৰি সৰু সৰু গোটত ভাগ কৰি দেশৰ আগশাৰীৰ প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানলৈ এসপ্তাহৰ ফেলোশ্বিপ কেম্পলৈ প্ৰেৰণ কৰা হ'ব। লগতে প্ৰতিষ্ঠানসমূহৰ পৰামৰ্শদাতাসকলৰ দ্বাৰা শিক্ষাৰ্থীসকলক প্ৰয়োজন অনুসৰি অনলাইন পৰামৰ্শ প্ৰদান কৰাৰ উপৰি তিনিগৰাকী শ্ৰেষ্ঠ শিক্ষাৰ্থীক বিদেশৰ আগশাৰীৰ প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান ভ্ৰমণৰ বাবে প্ৰেৰণ কৰা হ'ব। এই আঁচনিৰ বাবে আবেদন কৰিবলৈ শিক্ষাৰ্থীসকল অসম চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত কোনো পৰিষদৰ পৰা ন্যূনতম ৭৫ শতাংশ নম্বৰ লাভ কৰি দশম শ্ৰেণীত উত্তীৰ্ণ হোৱা আৰু গণিত, পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, জীৱ বিজ্ঞান, পৰিসংখ্যা বিজ্ঞান বা কম্পিউটাৰ বিজ্ঞানৰ অন্ততঃ তিনিটা বিষয় লৈ ৰাজ্যৰ কোনো শিক্ষানুষ্ঠানত একাদশ শ্ৰেণীত নামভৰ্তি কৰা হ'ব লাগিব। শিক্ষাৰ্থীসকলে ২০ জুনৰ ভিতৰত www.astec.assam.gov.in ৱেবছাইটযোগে আবেদন কৰিব পাৰিব।

০০০০০

গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়, মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনি আৰু প্ৰধানমন্ত্ৰী আৱাস যোজনাকে ধৰি বিভিন্ন আঁচনি ৰূপায়ণৰ অগ্ৰগতি সন্দৰ্ভত কালি এখন বৈঠকত মিলিত হয়। নলবাৰী জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত বৈঠকখনত সংশ্লিষ্ট বিভাগসমূহৰ বিষয়াসকলক আঁচনিসমূহ ৰূপায়ণৰ ক্ষেত্ৰত স্বচ্ছতা সুনিশ্চিত কৰিবলৈ মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিয়ে। বৈঠকত নলবাৰীৰ জিলা আয়ুক্ত বৰ্ণালী ডেকা, আৰক্ষী অধীক্ষক সুপ্ৰিয়া দাসকে ধৰি বিভিন্ন বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

০০০০০

অসমৰ লগতে সমগ্ৰ দেশত অহা ৭ জুনত ইছলাম ধৰ্মাৱলম্বী লোকৰ পৱিত্ৰ উৎসৱ ঈদ-উল-আজহা পালন কৰা হ'ব। কেন্দ্ৰীয় হিলাল কমিটী, অসমৰ সভাপতি মৌলনা ফখৰুদ্দিন আহমদ কাছিমী আৰু সম্পাদক প্ৰধান আলহাজ ইমদাদ হুছেইনে কালি এটা বিবৃতিত এই কথা প্ৰকাশ কৰে। হিলাল কমিটীয়ে সমূহ অসমবাসীলৈ ঈদ-উল আজহাৰ শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০

ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে যোৱানিশা চণ্ডীগড়ত অনুষ্ঠিত প্ৰথমখন কোৱালিফেয়াৰত পাঞ্জাব কিংছক ৮ উইকেটত পৰাস্ত কৰি আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰে। বেংগালুৰুৱে ১০২ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি মাত্ৰ ১০ অভাৰত দুটা উইকেট হেৰুৱাই ১০৬ ৰান সংগ্ৰহ কৰে। ইয়াৰ পূৰ্বে পাঞ্জাব কিংছে প্ৰথম বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ১৪ অভাৰ আৰু এটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১০১ ৰান সংগ্ৰহ কৰে। বেংগালুৰুৰ হৈ যোশ হেজেল্‌উড আৰু সূয়শ শৰ্মাই তিনিটাকৈ উইকেট দখল কৰে। সূয়শ শৰ্মাক প্লেয়াৰ অব্ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি সন্ধিয়া চণ্ডীগড়ত হ'বলগীয়া এলিমিনেটৰ খেলত গুজৰাট টাইটানছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। এই খেলখনত জয়লাভ কৰা দলটোৱে পহিলা জুনত হ'ব লগীয়া দ্বিতীয়খন কোৱালিফায়াৰত পাঞ্জাব কিংছৰ সন্মুখীন হ'ব। দ্বিতীয়খন কোৱালিফায়াৰত জয়লাভ কৰা দলটোৱে ৩ জুনত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত ধাৰাসাৰ বৰষুণৰ ফলত সৃষ্টি হোৱা বান পৰিস্থিতি, প্ৰধানমন্ত্ৰীৰ পশ্চিম বংগ ভ্ৰমণ, অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায় সম্পৰ্কে মুখ্যমন্ত্ৰীৰ পৰ্যালোচনা, ৰিপুণ বৰাক এছ আই টিৰ ৪ ঘণ্টা জেৰাৰ বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

অসমীয়া প্ৰতিদিন কাকতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পশ্চিমবংগৰ আলিপুৰ দুৱাৰত এহেজাৰ কোটি টকীয়া গেছ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি ৰাজ্যখনত নিৰ্বাচনী ৰণডংকা বজোৱাৰ বাতৰি বাংলাৰ মাটিৰ চিৎকাৰ - আৰ লাগবে না নিৰ্মম চৰকাৰ শিৰোনামেৰে প্ৰকাশ কৰিছে।

দৈনিক অসম কাকতে প্ৰধানমন্ত্ৰীয়ে আলিপুৰ দুৱাৰত অপাৰেচন সিন্দুৰৰ অন্ত নাই বুলি কৰা মন্তব্যৰ জেৰ টানি এটা বাতৰি প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰীয়ে জিলা আয়ুক্তৰ সৈতে হোৱা বৈঠকত ৩ জুনৰ ভিতৰত তৃতীয় পৰ্যায় অৰুণোদয়ৰ ডিজিটেলাইজেশ্যন সম্পূৰ্ণ কৰাৰ নিৰ্দেশ দিয়াৰ বাতৰিক নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আমাৰ অসম কাকতে প্ৰদেশ কংগ্ৰেছৰ সভাপতিৰ দায়িত্ব গ্ৰহণৰ পূৰ্বে আজি দিনৰ ১২ বজাত সাংসদ গৌৰৱ গগৈয়ে ৰাহুল গান্ধী আৰু দলৰ ৰাষ্ট্ৰীয়ে সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ সৈতে বৈঠকত মিলিত হ'ব বুলি এটা বাতৰি গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

দৈনিক জনমভূমি কাকতে ৰাজ্যৰ স্পৰ্শকাতৰ আৰু দুৰ্গম অঞ্চল বাস কৰা খিলঞ্জীয়া লোকসকলক অস্ত্ৰৰ অনুজ্ঞাপত্ৰ প্ৰদান কৰিবলৈ ৰাজ্য চৰকাৰে লোৱা সিদ্ধান্তক লৈ ৰাজ্যজুৰি সৃষ্টি হোৱা প্ৰতিক্ৰিয়াৰ বাতৰি অস্ত্ৰৰ অনুজ্ঞা আছুৰ সমৰ্থন - বিৰোধীৰ ধিক্কাৰ শিৰোনামেৰে প্ৰকাশ কৰিছে।

অসমীয়া খবৰ কাকতে সাংসদ গৌৰৱ গগৈৰ নেতৃত্ব প্ৰদানৰ পাছতেই কংগ্ৰেছৰ অভ্যন্তৰত ক্ষোভ-অসন্তুষ্টি সৃষ্টি হোৱা বুলি এটা বাতৰি প্ৰকাশ কৰিছে।

বিশ্বৰ বতৰ বিজ্ঞান সংস্থাই দিয়া সতৰ্কবাণী সন্দৰ্ভত দৈনিক অগ্ৰদূত কাকতে জলবায়ু পৰিৱৰ্তন ঃ ভাৰতত বৃদ্ধি পাব গ্ৰীষ্মপ্ৰবাহৰ দিন, নতুন অঞ্চলকো সামৰি ল'ব শিৰোনামেৰে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দি আছাম ট্ৰিবিউন কাকতে ২ জুনত গুৱাহাটীত অসম আৰু মেঘালয়ৰ মাজত হ'বলগীয়া মুখ্যমন্ত্ৰী পৰ্যায়ৰ পৰৱৰ্ত্তী আলোচনাৰ  বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে। দা ছেণ্টিনেল কাকতে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত ধাৰাসাৰ বৰষুণ হ'ব পাৰে বুলি জাৰি কৰা সতৰ্কবাণী সন্দৰ্ভত ৰেড এণ্ড অৰেঞ্জ এলাৰ্টছ ছাউণ্ডেড ফৰ আছাম শিৰোনামেৰে প্ৰকাশ কৰিছে।

০০০০০

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ পৰাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৯ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মিজোৰাম, ত্ৰিপুৰা আৰু মেঘালয়ৰ ঠাই বিশেষে মজলীয়াৰ পৰা ধাৰাসাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে।

০০০০০

সমাপ্ত